২৮/০৬/২০২৫ আমাৰ অসম

# যোৰহাট মহাবিদ্যালয়ৰ উদ্যোগত ড্ৰাগ্ বিৰোধী সজাগতামূলক বাটৰ নাট

যোৰহাট, ২৭ জুন ঃ 'আন্তৰ্জাতিক নিচাযুক্ত দ্ৰব্য আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস' উপলক্ষে ২৬ জুনত যোৰহাট মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব আৰু দৰ্শন বিভাগৰ উদ্যোগত এক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। মহাবিদ্যালয়খনৰ এন এছ এছ, কমিউনিটি ডেভেলপমেণ্ট ক্লাব আৰু আই কিউ এ চি-ৰ সহযোগত এই বিশেষ কাৰ্যসূচী যোৰহাট মহাবিদ্যালয়ৰ তোলনীয়া বিদ্যালয় 'দ-গাঁও মধ্য আৰু উচ্চইংৰাজী বিদ্যালয়'ৰ প্ৰাংগণত অনুষ্ঠিত হয়। নিচাযুক্ত দ্ৰব্যৰ কু-ফল আৰু ড্ৰাগছৰ বিৰুদ্ধে সমাজত সজাগতা সৃষ্টিৰ প্ৰয়াসেৰে ছাত্ৰ-ছাত্ৰীসকলে এই বাটৰ নাটখন প্ৰদৰ্শন কৰে। সুন্দৰ অভিনয়ৰ জৰিয়তে তেওঁলোকে উঠি অহা প্ৰজন্মক নিচাৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। উক্ত কাৰ্যসূচীত যোৰহাট মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° ৰশ্মি দাস, এন এছ এছ-ৰ কাৰ্যসূচী বিষয়া তথা দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰঞ্জিত ভট্টাচাৰ্য, দৰ্শন বিভাগৰ সহকাৰী অধ্যাপিকা উদ্দীপনা বৰা আৰু ড° আইভী বৰগোহাঁই উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে নিচামুক্ত সমাজ গঢ়াৰ ক্ষেত্ৰত বক্তব্য প্ৰদান কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰশান্ত বৰঠাকুৰে বক্তব্য প্ৰদান কৰে আৰু শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ প্ৰচেষ্টাৰ শলাগ লয়।